যে অন্যতকৈ দেউতা বেলেগ। দেউতাক শ্ৰদ্ধা কৰিবলৈ শিকিলোঁ। ছিগাৰেট আনি দিয়া, চিয়াঁহী ভৰাই দিয়া, পানী দিয়া, স্কুটাৰ ধোৱা ইত্যাদি কৰি দিছিলোঁ। কিছু ডাঙৰ হৈয়ো খং উঠিলেও এই কামবোৰ কৰিছিলোঁ প্ৰায়ে। দেউতাই স্কুটাৰ বা গাড়ীত পেট্ৰল শেষ হ'লে ঠাইতে এৰি আহিছিল। অনাৰ দায়িত্ব আছিল মোৰ।

দেউতা-মাৰ আমি তিনিটা সন্তান। বাইদেউক এজনী ছোৱালী বুলি, মোক বৰপুত্ৰ বুলি আৰু ভাইটিক নুমলীয়া বুলি সমানে মৰম কৰিছিল। ৰাতি ভাত খাই আমাৰ লগত আড্ডা মাৰিবই। আজিকালিৰ প্ৰায়বোৰ ল'ৰা-ছোৱালীক মাক-দেউতাকে পঢ়োৱাৰ দৰে আমাক কিন্তু নপঢুৱাইছিল। দেউতাই কৈছিল—"পঢ়া-শুনা নিজৰ বস্তু। ভালকৈ পঢ়ি-শুনি নিজৰ যোগ্যতাৰে জীৱনক গঢ় দিবি, মোৰ চিনাকিৰে নহয়। মোৰ পৰিচয়েৰে ক্ষমতাৰ অপব্যৱহাৰ নকৰিবি। য'তে-ত'তে পৰাপক্ষত তহঁত কাৰ ল'ৰা-ছোৱালী নক'বি, মোক বেয়া পোৱা মানুহো থাকিব পাৰে।" আমি তিনিটা সন্তান আজিও সতৰ্ক এইকেইটা দিশত। আমাৰ তিনিটাৰ ভিতৰত ভাইটি অসম্ভৱ চোকা, বাইদেৱো। মই মধ্যমীয়া। মোক কিন্তু দেউতাই অৱহেলা কৰা নাছিল। যদিও কবিতা লিখোঁ কিন্তু দেউতাৰ উত্তৰসুৰী হিচাপে হাতত কলম তুলি লোৱা বাবে দেউতা মোক লৈ সুখী আছিল। দেউতাই আমাক প্ৰায়ে কৈছিল—"সকলোৰে লগত মিলিজুলি চলিবি, কাকো অন্যায় নকৰিবি, উপকাৰ কৰিবি, বিচাৰৰ ফল ভগৱানক দিবি।" এইবোৰ আমি মানি আছোঁ। মিতব্যয়ী স্বভাৱো দেউতাই শিকোৱা।

দেউতা মানুহজন দেখাত কঠোৰ কিন্তু অন্তৰখন মৰমিয়াল। তেখেতৰ স্পষ্টবাদী স্বভাৱৰ বাবে বহুতৰ অপ্ৰিয়ভাজন হোৱাও পৰিলক্ষিত হৈছিল। সকলো মানুহৰ প্ৰতি দেউতা সহানুভূতিশীল আছিল। ঘৰত থকা সময়ত দেউতাই সদায় ৰুটিন মানি লিখা, পঢ়া, আসন কৰা, খোজ কঢ়া আদি কৰিছিল। চৌখিন, দামী সাজ-পোছাক পিন্ধি ভাল পাইছিল। নিজৰ বয়সৰ মানুহতকৈ ডেকা বয়সৰ মানুহৰ লগত বন্ধুত্ব কৰি ভাল পাইছিল। ঘৰৰ সকলো কামৰ দায়িত্ব মোৰ ওপৰত আছিল যদিও মাজে-সময়ে বজাৰ কৰা দেখিছিলোঁ। মাছ-মাংসৰে জুতি লগাই খাই ভাল পাইছিল। সময়মতে খোৱাৰ টেবুলত সকলোৰে একেলগে খোৱাটো বিচাৰিছিল। দেউতাক শেষৰ কেইদিনৰ বাদে আমি বেমাৰত পৰা নেদেখিলোঁৱেই, মাজে মাজে মাত্ৰ কাহ হৈছিল। আচৰিত লাগিছিল এই বয়সতো ডেকা হৈ থকা দেউতাৰ কৰ্মস্পৃহা দেখি। দেউতা একেধাৰে এজন বিজ্ঞানী, সাংবাদিক আৰু সাহিত্যিক হোৱাৰ গুণ দেখি আমি আচৰিত হৈছিলোঁ। চৰকাৰী চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত ক্ৰমে এখন কাকতৰ সম্পাদক, অসম সাহিত্য সভাৰ সভাপতি, প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষ (ছবছৰ), আকৌ কাকত এখনৰ সম্পাদকৰ পাছত ২০০৯ চনৰ পৰা পৃথিৱী এৰি যোৱালৈকে 'গৰীয়সী' আলোচনীৰ সম্পাদক আছিল। শেষৰ ছমাহমানৰ পৰা দেউতা কিছু পৰিমাণে দুৰ্বল হৈছিল। যোৰহাটৰ শিক্ষাবিদ, অসম সাহিত্য সভাৰ এগৰাকী অক্লান্ত কৰ্মী কুতুবুদ্দিন আহমেদ ছাৰ আৰু হোমেন বৰগোহাঞি ছাৰৰ বিয়োগত দেউতা মানসিকভাৱেও কিছু ভাগি পৰিছিল বুলি ভাবোঁ। বয়সক আওকাণ কৰি যে মৃত্যু পৰ্যন্ত লেখাত হাত বুলাই চিৰসেউজ হৈ আছিল তাৰ কৃতিত্ব নিঃসন্দেহে দাবী কৰিব পাৰে মোৰ মায়ে। দায়িত্বশীল চৰকাৰী চাকৰি কৰা মায়ে ঘৰুৱা সকলো দায়িত্ব গ্ৰহণ কৰি দেউতাক সহায় কৰি নিদিয়া হ'লে দেউতাৰ প্ৰতিভাৰ অকালতে সমাপ্তি হ'লহেঁতেন। অসমীয়া সাহিত্য জগতত দেউতাৰ নাম খোদিত হৈ ৰ'ল মোৰ মাৰ বাবেই। আমাৰ উত্তৰপুৰুষে আমাক হয়তো পাহৰি যাব কিন্তু 'গঙাচিলনীৰ পাখি'ৰ কালজয়ী স্ৰষ্টাজনক সদায়েই স্মৰণ কৰিব। কিন্তু মন মাজে মাজে পুলকিত হৈছিল, যেতিয়া কিতাপৰ আলমাৰিবোৰ চাফা কৰিছিলোঁ, য'ত দেউতাৰ নায়কবোৰ সোমাই আছে। সেই নায়কবোৰৰো যেন ৰক্ত বিয়পি আছে মোৰ শৰীৰত, মোৰ ভাতৃৰ শৰীৰত। সেই তেজে আমাক কঢ়িয়াই নিব আমাৰ উত্তৰপুৰুষলৈ এখন দীঘল উপন্যাসৰ দৰে, যাৰ কোনো সমাপ্তি নাই।

ঠিকনা ঃ জিলা তথ্য আৰু জনসংযোগ বিষয়া, কোকৰাঝাৰ, বি টি আৰ

# 'গৰীয়সী'ৰ সম্পাদকৰূপে ড° লক্ষ্মীনন্দন বৰা

**অংকুৰ ডেকা**

সদ্যপ্ৰয়াত বিশিষ্ট কথাশিল্পী ড° লক্ষ্মীনন্দন বৰাৰ সৈতে সোঁশৰীৰে মোৰ ২০১০ চনলৈকে চিনাকি নাছিল, কিন্তু 'আছাম ট্ৰিবিউন' গোষ্ঠীৰ পৰা প্ৰকাশিত 'গৰীয়সী' নামৰ আলোচনীত খালী হৈ থকা এটা পদৰ কথা অহুকাণে-পহুকাণে জানিব পাৰি মৰসাহ কৰি ২০১০ চনৰ ১১ এপ্ৰিলৰ নিশা ৯ বজামানত তেখেতৰ গণেশগুৰিৰ ঘৰ ওলাইছিলোঁগৈ। তাৰ পূৰ্বে দুই-এদিন 'গৰীয়সী'ৰ পদত মোক ল'ব পাৰে নেকি সেই সম্বন্ধে ফোনতে কথা হৈছিলোঁ। ২০০৯ চনৰ পহিলা এপ্ৰিলত ড° লক্ষ্মীনন্দন বৰা ছাৰে 'গৰীয়সী'ৰ সম্পাদকৰূপে যোগ দিছিল—২০১৯ চনৰ মে' মাহত তেখেতে 'গৰীয়সী'ত লিখা 'গৰীয়সীত দহ বছৰ' শীৰ্ষক 'অ-সম্পাদকীয়' শিতানত মোক লগ পোৱা সেই বিশেষ দিনটোৰ কথা এনেদৰে লিখিছিল, "... দুমাহমানৰ পাছত এজন ডেকা মোৰ ঘৰ ওলালহি। তেওঁ মাত্ৰ নিজৰ সংক্ষিপ্ত পৰিচয় দিলে কেৱল নামটো আৰু ক'ত কাম কৰি আছে তাকে উল্লেখ কৰি। সাজ-পোছাকত নিজকে আকৰ্ষণীয় কৰি তোলাৰ সামান্য প্ৰচেষ্টাও নাই। এমুখ অযত্নপালিত দাঢ়ি। কথাত স্বাভাৱিক ভদ্ৰতা, বিনয়, দ্বিধাগ্ৰস্তহীনতা আৰু আত্মবিশ্বাস। মোৰ অনুমান হ'ল—এনে এটা মোৰ পুত্ৰৰ বয়সৰ ল'ৰাই কেতিয়াও মিছা মাতিব নোৱাৰে, কূটাঘাতমূলক কাম কৰিব নোৱাৰে আৰু আন্তৰিকতাবিহীন কাৰ্যত লিপ্ত হ'ব নোৱাৰে। মই ভাবিলোঁ, ল'ৰাজনৰ কিবা গুণৰ অভাৱ থাকিলে, সেই গুণৰ অধিকাৰী কৰিবলৈ তেওঁক শিকাব-বুজাব পৰা যাব। অন্য একো চিন্তা নকৰি তেওঁৰ নামটো মই ছুপাৰিছ কৰিলোঁ। অধ্যক্ষ আৰু পৰিচালন সঞ্চালক প্ৰফুল্ল গোবিন্দ বৰুৱাদেৱে তেওঁক নিযুক্তি দিলে। এই ল'ৰাজনেই সম্প্ৰতি 'গৰীয়সী'ৰ সহকাৰী সম্পাদক অংকুৰ ডেকা। তেতিয়াৰ পৰা মই 'গৰীয়সী'ৰ উত্তৰণৰ অৰ্থে অকলে চেষ্টা কৰিবলগীয়া হোৱা নাই। চন্দ্ৰপ্ৰসাদ